**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-08-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি নতুন দিল্লীৰ ভাৰত মন্দপমত জিলা পৰ্যায়ৰ ন্যায়িক বিষয়াসকলৰ দুদিনীয়া ৰাষ্ট্ৰীয় সন্মিলন মুকলি।

২। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অহা ৩ ছেপ্তেম্বৰত ঐতিহাসিক চতীয়া থানাত ত্ৰিৰংগ পকাতা উত্তোলন কৰা স্বাধীনতা সংগ্ৰামী সকলৰ পৰিয়ালৰ সৈতে মত বিনিময়।

৩। খাদ্য আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ নেতৃত্বত ২ কোটি ৫২ লাখ ১৮ হাজাৰতকৈ অধিক লোকক হিতাধিকাৰী অন্তৰ্ভুক্ত কৰাৰ লক্ষ্য। **আৰু**

৪। ডুৰাণ্ড কাপ ফু টবল প্ৰতিযোগিতাৰ ফাইনেলত আজি নৰ্থ ইষ্ট ইউনাইটেড এফ চি আৰু মোহন বাগানৰ মাজত খেল।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱা নতুন দিল্লীৰ ভাৰত মন্দপমত জিলা পৰ্যায়ৰ ন্যায়িক বিষয়াসকলৰ দুদিনীয়া ৰাষ্ট্ৰীয় সন্মিলন মুকলি কৰিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে উচ্চতম ন্যায়ালয় প্ৰতিষ্ঠাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ লগত সংগতি ৰাখি এটা ডাক টিকট আৰু মুদ্ৰাও উন্মোচন কৰিব। উচ্চতম ন্যায়ালয়ে আয়োজন কৰা এই দুদিনীয়া সন্মিলনত আন্তঃগাঁথনি, সৰ্বাত্মক আদালত কক্ষ, ন্যায়িক সুৰক্ষা, গোচৰৰ ব্যৱস্থাপনা আৰু প্ৰশিক্ষণকে ধৰি জিলা ন্যায়পালিকা সন্দৰ্ভত ৫টা সত্ৰ অনুষ্ঠিত কৰা হ'ব। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল আৰু এৰ্টনি জেনেৰেল সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকিব।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অহা ৩ ছেপ্তেম্বৰত ঐতিহাসিক চতিয়া থানাত উপস্থিত হৈ ১৯৪২ চনৰ ২০ আগষ্টত স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ কৰা সংগ্ৰামীসকলৰ পৰিয়ালৰ সৈতে মত বিনিময় কৰিব। উল্লেখযোগ্য যে, এই বিশেষ দিনটোত দেশৰ ভিতৰতে পোনপ্ৰথম বাৰৰ বাবে ব্ৰিটিছৰ ইউনিয়ন জেক নমাই ত্ৰিৰংগা পতাকা উৰুওৱা হৈছিল। এই দিনটো অসম বুৰঞ্জীৰ এটা উল্লেখযোগ্য ঘটনা হিচাপে স্বীকৃতি দিয়াৰ উদ্দেশ্যে কালি চতিয়া নাট্য সমাজৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত বৈঠকত বিধায়ক পদ্ম হাজৰিকাই অংশগ্ৰহণ কৰে।

০০০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ তথা সংসদীয় পৰিক্ৰমা ৰাজ্যমন্ত্ৰী ডং এল মুৰুগানে কালি সন্ধিয়া চিৰাঙৰ ভাৰত-ভূটান সীমান্তৰ শিক্ষানুষ্ঠান আৰু কেন্দ্ৰীয় চৰকাৰৰ কেতবোৰ আঁচনি পৰিদৰ্শন কৰে। তেওঁ ছেৰফাংগুৰিত ৰাষ্ট্ৰীয় খোৱাতেল অভিযান অইল পাম প্ৰকল্পৰ হিতাধিকাৰী আৰু কৃষকসকলৰ সৈতে মত বিনিময় কৰে।

মন্ত্ৰীগৰাকীয়ে পি এম কিষান সন্মান নিধি আৰু প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আঁচনিৰ অধীনৰ কৃষকসকলকো সাক্ষাৎ কৰি এই আঁচনিসমূহৰ বিষয়ে তেওঁলোকৰ পৰা মতামত গ্ৰহণ কৰে। ইয়াৰ লগতে শ্ৰীমুৰুগানে শান্তিপুৰত নিৰ্মীয়মান কস্তুৰবাগান্ধী বিদ্যালয়ৰ ছাত্ৰী নিৱাসৰ নিৰ্মাণৰ কাজ-কাজৰ অগ্ৰগতিৰ বুজ লয়।

মন্ত্ৰীগৰাকীক সাংসদ ৰণগৌড়া নাৰ্জাৰী, জয়ন্ত বসুমতাৰী, চিৰাঙৰ জিলা আয়ুক্ত পি বিজয় ভাস্কৰ ৰেড্ডী আৰু অতিৰিক্ত জিলা আয়ুক্ত ফিৰোডজ আলম শ্বেইখে সংগ দিয়ে। হাতীচৰৰ বনগাঁৱত ৰাইজৰ সৈতে মত বিনিময় কৰি মন্ত্ৰীগৰাকীয়ে চৰকাৰৰ তৃণমূল পৰ্যায়ৰ পৰা সকলোৰে বিকাশ আৰু কল্যাণৰ হকে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে দোহাৰে।

০০০০০০

অসম বিধানসভাৰ শৰৎকালীন অধিবেশনৰ কালি পঞ্চমদিনা কেইবাখনো বিধেয়ক উত্থাপন কৰা হয়। ইয়াৰ ভিতৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দি আছাম ৰাইট টু পাব্লিক ছাৰ্ভিছেছ এমেণ্ডমেণ্ট বিল-২০২৪, পৰিবহন মন্ত্ৰী কেশৱ মহন্তই দি আছাম মটৰ ভেহিক'ল টেক্সেছন এমেণ্ডমেণ্ট বিল-২০২৪, ৰাজহ মন্ত্ৰী যোগেন মহনে দি আছাম ফিক্সেছন অৱ ছিলিং অন লেণ্ড হল্ডিংছ এমেণ্ডমেণ্ট বিল-২০২৪, দি আছাম এগ্ৰিকালছাৰেল লেণ্ড (ৰেগুলেচন অৱ ৰি ক্লাছিফিকেছন এণ্ড ট্ৰান্সফাৰ ফৰ নন এগ্ৰিকালছাৰেল পাৰপাছ) এমেণ্ডমেণ্ট বিল-২০২৪ উত্থাপন কৰে। ১০ বছৰ ধৰি খেতি নোহোৱা কৃষিভূমি শ্ৰেণী পৰিৱৰ্তন কৰা, চৰকাৰক নিৰ্দিষ্ট পৰিমাণৰ মাচুল কৃষিভূমি বাণিজ্যিক ভূমিলৈ পৰিৱৰ্তন কৰা, খেতি নোহোৱা, উদ্যোগৰো সম্ভাৱনা নথকা কৃষিভূমি শ্ৰেণী পৰিৱৰ্তন কৰি তাত দোকান-পোহাৰ আদি দিয়াৰ ব্যৱস্থা কৰা আদি বিষয়ক সামৰি দি আছাম এগ্ৰিকালছাৰেল লেণ্ড এমেণ্ডমেণ্ট বিল-২০২৪ উত্থাপন কৰা হয়। বিধানসভাত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনে কালি এই বিধেয়কখনৰ বিষয়ত মন্তব্য কৰি কয় যে, বহু ঠাইত চাহ বাগিচাৰ ভূমিত ৬০-৭০ বছৰ ধৰি মানুহে বসবাস কৰি আছে যদিও তেওঁলোকক পট্টা দিব পৰা নাছিল। এতিয়া যোগ্য ব্যক্তিয়ে চৰকাৰক উপযুক্ত মাচুল দি তেনে মাটি ম্যাদি কৰিব পাৰিব। মন্ত্ৰী যোগেন মহনে ৰাজ্যত ২০২০ চনৰ পৰা বৰ্তমানলৈকে প্ৰাকৃতিক দুৰ্যোগৰ ফলত মৃত্যু হোৱা লোকসকলৰ পৰিয়ালক চৰকাৰৰ তৰফৰ পৰা ৪ লাখ টকাকৈ ক্ষতিপূৰণ দিয়া হৈছে বুলি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে এটা লিখিত প্ৰশ্নৰ উত্তৰত এই কথা উল্লেখ কৰি কয় যে, প্ৰাকৃতিক দুৰ্যোগৰ ফলত ৰাজ্যখনত ২০২০ৰ পৰা বৰ্তমানলৈকে মুঠ ৭৮৪জন লোকে প্ৰাণ হেৰুৱাইছে। মন্ত্ৰীগৰাকীয়ে লগতে ৰাজ্যত বিগত সময়ছোৱাত বানৰ ক্ষয়-ক্ষতিৰো তথ্য দাঙি ধৰে।

০০০০০০

বড়োলেণ্ড টেৰিট'ৰিয়েল কাউন্সিলৰ তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত কালি সামাজিক আৰু ছপা মাধ্যমৰ বাবে বিভাগীয় একক যোগাযোগ বিন্দু, চমুকৈ এছ পি অ চিৰ বাবে উদ্বোধনী কাৰ্যসূচী অনুষ্ঠান অনুষ্ঠিত হয়। কোকৰাঝাৰৰ বি টি চি সচিবালয়ৰ কনফাৰেন্স হলত অনুষ্ঠিত এই কাৰ্যসূচীত এছ পি অ চিসমূহক নিজৰ বিভাগৰ সংবাদ মাধ্যমৰ কাম-কাজ ফলপ্ৰসূভাৱে পৰিচালনা কৰিবলৈ প্ৰয়োজনীয় দক্ষতা আৰু জ্ঞানেৰে সজ্জিত কৰাৰ ওপৰত গুৰুত্ব দিয়া হয়। উদ্বোধনী কাৰ্যসূচী যুটীয়া সচিব আৰু বিটিচিৰ আঞ্চলিক বিষয়া সচিবৰ মূৰববীয়ে পৰিচালনা কৰে।

০০০০০০

প'বা সংৰক্ষিত বনাঞ্চলক শীঘ্রে বন্যপ্রাণী অভয়াৰণ্য হিচাপে স্বীকৃতি দিয়া হ'ব। পৰিবেশ আৰু বন মন্ত্রী চন্দ্রমোহন পাটোৱাৰীয়ে কালি বিধানসভাৰ শূণ্যকালত বিধায়ক ভূবন পেগুৱে উত্থাপন কৰা এখন জাননীৰ প্রতি সঁহাৰি জনাই এই বিষয়ে ঘোষণা কৰে। মন্ত্রীগৰাকীয়ে কয় যে মুখ্যমন্ত্রীয়ে সদায় ৰাজ্যখনৰ প্রাকৃতিক সম্পদ আৰু জৈৱ-বৈচিত্র্যৰ সংৰক্ষণ তথা স্থায়ী বিকাশৰ ক্ষেত্রত চৰকাৰৰ প্রতিশ্রুতিবদ্ধতাৰ ওপৰত গুৰুত্ব দি আহিছে। এই দিশত ই এটা অন্যতম গুৰুত্বপূর্ণ পদক্ষেপ হিচাপে পৰিগণিত হ'ব বুলি শ্রীপাটোৱাৰীয়ে উল্লেখ কৰে। নতুন প'বা বন্যপ্রাণী অভয়াৰণ্যই প'বা সংৰক্ষিত বনাঞ্চল, প্রস্তাৱিত কাবুচাপৰি সংৰক্ষিত বনাঞ্চল আৰু কাষৰীয়া নৈপৰীয়া অঞ্চলকে ধৰি ২৫৭ দশমিক ২-৯ বর্গকিলোমিটাৰ এলেকা সামৰি ল'ব। উল্লেখযোগ্য যে অসমৰ উত্তৰ-পূব অংশত থকা প'বা সংৰক্ষিত বনাঞ্চল হৈছে বন্য জীৱ-জন্তুৰে সমৃদ্ধ আৰু জৈৱ-বৈচিত্র্যৰে ভৰপূৰ এখন বর্ষাৰণ্য। এই বনাঞ্চলৰ মাজেৰে হাতীকে ধৰি বিভিন্ন জীৱ-জন্তুৱে কাবুচাপৰি, ডিব্রু-ছৈখোৱা ৰাষ্ট্রীয় উদ্যান আৰু ডি-এৰিং মেমৰিয়েল বন্যপ্রাণী অভয়াৰণ্যলৈ অহা-যোৱা কৰে। ব্রহ্মপুত্রৰ উত্তৰ পাৰৰ পৰা দক্ষিণ পাৰলৈ হাতীৰ আহ-যাহৰ ই দ্বিতীয়টো প্রধান কৰিড'ৰ। ইপিনে, এই বনাঞ্চল লেহেমীয়া গতিৰ লৰিছ আৰু টুপী পিন্ধা বান্দৰকে ধৰি গছত থকা ভালেমান প্রজাতি, বনৰীয়া গাহৰি, ৪৫টা প্রজাতিৰ চৰাই তথা সৰীসৃপ আৰু চিয়াং আৰু লোহিত নদীত থকা বিভিন্ন প্রজাতিৰ মাছৰ বাবে জনাজাত। বনাঞ্চলখনক বন্যপ্রাণী অভয়াৰণ্য হিচাপে স্বীকৃতি দিয়াৰ পদক্ষেপ অসমৰ প্রাকৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু বিকাশৰ ক্ষেত্রত এক অবিৰত প্রয়াস হিচাপে চিহ্নিত হ'ব।

০০০০০০

অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ সদস্যদ্বয় অজয় কুমাৰ দত্ত আৰু মাজুলী জিলাৰ আয়ুক্ত ড০ কাবেৰী বি শৰ্মাৰ অধ্যক্ষতাত কালি জিলাখনৰ শিশু সুৰক্ষা বিষয়ত এখন সভা অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কার্যালয়ত অনুষ্ঠিত সভাখনত অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ সদস্যদ্বয় অজয় কুমাৰ দত্ত আৰু ৰিলাঞ্জনা তালুকদাৰৰ লগতে কাৰিকৰী পৰামর্শদাতা মৃদুস্মিতা দত্তও অংশগ্রহণ কৰে। সভাখনত জিলা শিশুৰ সুৰক্ষা গোটৰ দ্বাৰা শিশু সুৰক্ষাৰ বাবে লোৱা পদক্ষেপসমূহৰ ওপৰত বিতংভাৱে আলোচনা কৰা হয়। এই আলোচনাত শিশুৰ ওপৰত হোৱা উৎপীড়ন আৰু অপৰাধ ৰোধ কৰিবলৈ লোৱা কার্যপ্রণালীৰ সন্দৰ্ভত আলোকপাত কৰাৰ লগতে প'কছ', শিশু শ্রমিক ইত্যাদি বিষয়ৰ ওপৰত আলোচনা কৰা হয়। ইয়াৰ লগতে সভাত বাল্য বিবাহ ৰোধ কৰাৰ ওপৰতো বিশেষ পদক্ষেপ হাতত লোৱাৰ সিদ্ধান্ত গ্রহণ কৰে। সভাখনত অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ সদস্যকেইগৰাকীয়ে আৰক্ষী, স্বাস্থ্য, সমাজ কল্যাণ আদি বিভাগৰ বিষয়াসকলক শিশু কল্যাণ আৰু শিশু সুৰক্ষাৰ ওপৰত বিশেষ গুৰুত্ব প্রদান কৰিবলৈ আহ্বান জনায়।

০০০০০০

ৰাষ্ট্রীয় খাদ্য সুৰক্ষা আইনৰ অধীনত খাদ্য, গ্রাহক পৰিক্রমা বিভাগৰ মন্ত্রী ৰঞ্জিত কুমাৰ দাসৰ নেতৃত্বত ২ কোটি ৫২ লাখ ১৮ হাজাৰতকৈ অধিক লোকক হিতাধিকাৰীৰ অন্তর্ভুক্ত কৰাৰ লক্ষ্য নির্ধাৰণ কৰা হৈছে। ইতিমধ্যে বিভাগে ২ কোটি ৩১ লাখ ৯৭ হাজাৰ ৬০৮ গৰাকী হিতাধিকাৰী অন্তর্ভুক্তি সম্পন্ন কৰিছে। আনহাতে, ২০ লাখ ২০ হাজাৰ ৩৯৪ জন লোকক সামৰি লোৱাৰ ব্যৱস্থা অব্যাহত আছে। ৰাষ্ট্রীয় খাদ্য সুৰক্ষা আইনৰ অধীনত মুঠ ৬৬ লাখ ৮৬ হাজাৰ ৮৪৫ খন ৰেচন কার্ড প্রদান কৰি সেই অনুসাৰে চাউল আবণ্টন দিয়া হৈছে বুলিও বিভাগীয় সূত্রত প্রকাশ পাইছে।

০০০০০০

বৰপেটা জিলা প্ৰশাসনৰ উদ্যোগত কালি জিলাখনৰ প্ৰতিটো ৰাজহ চক্ৰত নাগৰিক সভা অনুষ্ঠিত হয়। সমাজৰ সকলো শ্ৰেণীৰ লোকৰ মাজত শান্তি-সম্প্ৰীতি, সদভাৱ বৰ্তাই ৰখাৰ উদ্দেশ্যে এই সভা আয়োজন কৰা হয়। সভাত নাগৰিক সমিতি, ছাত্ৰ সংগঠন, ব্যৱসায়িক সংগঠন তথা বিভিন্ন সামাজিক সংগঠনৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। সমাজত অস্থিৰতা সৃষ্টি কৰিবলৈ বিচৰা দুষ্ট চক্ৰৰ পৰা যাতে সকলো আঁতৰি থাকে নাইবা তেনে কোনো চক্ৰৰ সম্ভেদ পালে প্ৰশাসন অথবা আৰক্ষীক অৱগত কৰিবলৈ ৰাইজক পৰামৰ্শ আগবঢ়োৱা হয়। ৰাজহ চক্ৰ বিষয়া কাৰ্যালয় আৰু ৰাজহুৱা সভাস্থলীসমূহত অনুষ্ঠিত হোৱা এই বৈঠকসমূহত স্থানীয় বিশিষ্ট লোকসকলে ভাষণ দিয়াৰ লগতে সকলো শ্ৰেণীৰ ৰাইজ উপস্থিত থাকে।

000000

শোণিতপুৰ জিলা ছাত্ৰ সন্থাই কালি ৰাজ্যৰ দীৰ্ঘদিনীয়া বান আৰু গড়া খহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক বিশেষ অনুদান আগবঢ়াবলৈও দাবী জনাই সংগঠনটোৱে তেজপুৰ চহৰৰ মাজেৰে কালি প্ৰতিদাবী শোভাযাত্ৰা উলিয়ায়। উল্লেখযোগ্য যে, সদৌ অসম ছাত্ৰ সন্থাৰ জিলা সমিতিৰ সভাপতিৰ নেতৃত্বত গ্ৰহণ কৰা এই কাৰ্যসূচীত নৈৰ কাষৰীয়া ৰাইজৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবীত এখন স্মাৰক পত্ৰ জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণ কৰা হয়। চৰকাৰ আৰু জলসম্পদ বিভাগক এই সমস্যা সমাধানৰ বাবে বিজ্ঞানসন্মত নীতি গ্ৰহণ কৰিবলৈও তেওঁলোকে দাবী তোলে।

000000

কেন্দ্ৰীয় চৰকাৰে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে চলচ্চিত্ৰত সাৰ্বজনীন অংশগ্ৰহণ সুনিশ্চিত কৰাৰ লক্ষ্যৰে নিৰ্দেশাৱলী গ্ৰহণ কৰিছে। চলচ্চিত্ৰত বিশেষকৈ শ্ৰৱণ আৰু দৃষ্টিশক্তি বাধাগ্ৰস্ত লোকৰ অংশগ্ৰহণ নিশ্চিত কৰাটোৱেই ইয়াৰ মূল উদ্দেশ্য। দিছপুৰৰ লোক নিৰ্মাণ বিভাগৰ সভাগৃহত এই সন্দৰ্ভত এখন কৰ্মশালা অনুষ্ঠিত হয়। গুৱাহাটীৰ কেন্দ্ৰীয় চলচ্চিত্ৰ প্ৰমাণ-পত্ৰ বোৰ্ডৰ আঞ্চলিক বিষয়া ৰাজীৱ লোচন বৰঠাকুৰে এই বিষয় সন্দৰ্ভত বিশদভাৱে ব্যাখ্যা আগবঢ়ায়। সাৰ্বজনীন অংশগ্ৰহণ সহজ কৰি তোলাৰ উদ্দেশ্যে তেওঁ চলচ্চিত্ৰ উদ্যোগক সহযোগিতা আগবঢ়াবলৈ অনুৰোধ জনায়। এই কৰ্মশালাত ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা, ভিডিঅ' সম্পাদক, শব্দ অভিযন্তা, চলচ্চিত্ৰ প্ৰদৰ্শকৰ লগতে চলচ্চিত্ৰ অনুৰাগীসকলে অংশগ্ৰহণ কৰে। এই কৰ্মশালাত মুম্বাইৰ পৰা এক্সেল চিনেমাৰ মুখ্য কাৰ্যবাহী বিষয়া শ্ৰীমতী দিপ্তী প্ৰসাদেও ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰে। উত্তৰ পূৰ্বাঞ্চলত প্ৰথমবাৰৰ বাবে এই কৰ্মশালাৰ আয়োজন কৰা হৈছে।

000000

নৰ্থ ইষ্ট ইউনাইটেড এফ চি আজি সন্ধিয়া কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াঙ্গনত হ'বলগীয়া ১৩৩ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত মোহন বাগানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ১৭ বাৰকৈ ডুৰাণ্ড কাপৰ খিতাপ অৰ্জন কৰা মোহন বাগানে এইবাৰ ১৮ বাৰৰ বাবে ছেম্পিয়নশ্বিপ দখল কৰাৰ বাবে প্ৰয়াস চলাব। উল্লেখযোগ্য যে, মোহন বাগানে গ্ৰুপ পৰ্যায়ৰ আটাইকেইখন খেলতে জয়ী হৈছে। আনহাতে, নৰ্থ ইষ্ট ইউনাইটেডে গ্ৰুপ পৰ্যায়ৰ খেলত দুৰ্দান্ত খেল প্ৰদৰ্শন কৰি প্ৰথমবাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰিছে।

000000

পেৰিছ পেৰালিম্পিক প্ৰতিযোগিতাৰ আজি তৃতীয় দিনা ভাৰতীয় শ্বুটাৰসকলৰ ওপৰত দৃষ্টি নিবদ্ধ থাকিব। শ্বাটলাৰ আৰু আৰ্চাৰসকলেও আজি নিজৰ খেলত অৱতীৰ্ণ হ'ব। শ্বুটিঙত মহাবীৰ কুনহলকাৰে পুৰুষৰ ১০ মিটাৰ এয়াৰ ৰাইফল ষ্টেণ্ডিং এছ এইছ ৱানত অৱতীৰ্ণ হোৱাৰ লগতে লুবিনা ফ্ৰান্সিছে মহিলাৰ ১০ মিটাৰ এয়াৰ পিষ্টল এছ এইছ ৱানত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। জেভলিন থ্ৰ'ত পৰবীন কুমাৰে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

পেৰিছ পেৰালিম্পিকৰ দ্বিতীয় দিনা ভাৰতে এটা সোণ, এটা ৰূপ আৰু দুটা ব্ৰঞ্জৰ পদকেৰে ৪টা পদক লাভ কৰি পদক তালিকাত নাম অন্তৰ্ভুক্ত কৰিছে। টকিঅ' পেৰালিম্পিকত সোণৰ পদক লাভ কৰা অৱনী লেখাৰাই পেৰিছতো এছ এইচ ৱান শাখাৰ ১০ মিটাৰ এয়াৰ ৰাইফল প্ৰতিযোগিতাত ২৪৯ দশমিক ৭ পইণ্টেৰে অভিলেখ গঢ়ি পুনৰ সোণৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়। ইয়াৰ বিপৰীতে একেটা শাখাতে মনা আগৰৱালে ২২৮ দশমিক ৭ পইণ্টেৰে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়। ইফালে, ১০০ মিটাৰ স্প্ৰীণ্টৰ মহিলাৰ শাখাত প্ৰীতি পালে ১৪ দশমিক ২ - ১ ছেকেণ্ডৰ সৰ্বোচ্চ ব্যক্তিগত অভিলেখেৰে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়।

পুৰুষৰ খেলত শ্বুটাৰ মণীষ নাৰৱালে ১০ মিটাৰ এয়াৰ পিষ্টল শাখাত ২৩৪ দশমিক ৯ পইণ্টেৰে দ্বিতীয় স্থান অধিকাৰ কৰি ৰূপৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়। বেডমিণ্টন খেলুৱৈ সুহাস এথিৰাজে দক্ষিণ কোৰিয়াৰ প্ৰতিপক্ষক হৰুৱাই ছেমি ফাইনেলত প্ৰৱেশ কৰিবলৈ সমৰ্থ হৈছে।

oooooo

খোৱাপানীত থকা আৰ্ছেনিকৰ বাবেও অসমত নিতৌ বাঢ়িছে পিত্তস্থলীৰ কৰ্কট ৰোগী। অসমৰ ৭ খন প্ৰধান চৰকাৰী কৰ্কট হাস্পতালত ২০২৩ চনত ৩১ হাজাৰ ৫ গৰাকী নতুন কৰ্কট ৰোগীৰ নাম পঞ্জীয়ন হৈছিল। এক অধ্যয়নত প্ৰকাশ পোৱা এই ভয়ংকৰ তথ্যৰ বিষয়ে **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

প'বা সংৰক্ষিত বনাঞ্চলত অতি সোনকালে বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে ঘোষণা কৰাৰ কথা পৰিবেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কালি বিধানসভাত ঘোষণা কৰে। এই বাতৰিটো **অসমীয়া প্ৰতিদিন** আৰু **দ্যা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

ৰাজ্যত হিতাধিকাৰী পুঁজিক লৈ কেগৰ চাঞ্চল্যকৰ প্ৰতিবেদন। এই বাতৰিটো **আমাৰ অসম** কাকতে **ছত্ৰে ছত্ৰে অনিময় দুৰ্নীতি ওলাল নকল হিতাধিকাৰী**ও শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে **আঁচনি বৃত্তিৰ ধনৰ চলিছে লুণ্ঠন** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিধানসভাত নাথাকিব শুকুৰবৰীয়া নামাজৰ বিৰতি। অসম বিধান সভাৰ এই ঐতিহাসিক সিদ্ধান্তৰ বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

অসম বিধান সভাৰ শৰৎকালীন অধিৱেশনৰ অন্তিম দিনা গৃহীত হ'ল ৪ খনকৈ বিধেয়ক। এই বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। উল্লেখ কৰিব পাৰি যে, এইবাৰ শৰৎকালীন বিধানসভা অধিৱেশনত ১৩ খনকৈ চৰকাৰী বিধেয়ক গৃহীত কৰা হয়।

মহাৰাষ্ট্ৰৰ পাল ঘৰত ৭৬ হাজাৰ কোটি টকীয়া ৱধাবন বন্দৰৰ আধাৰশিলা স্থাপন প্ৰধানমন্ত্ৰীৰ। **দৈনিক জনমভূমি** কাকতে এই বাতৰিটোক **১০ বছৰত দেশৰ উন্নয়নৰ যাত্ৰাক শক্তিশালী কৰিছে এন ডি এ চৰকাৰে**

শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক **অসমীয়া খবৰ** কাকতে **মহাৰাষ্ট্ৰত ৭৬ হাজাৰ কোটিৰে দেশৰ সৰ্ববৃহৎ বন্দৰৰ আধাৰশিলা প্ৰধানমন্ত্ৰী মোদীৰ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত